**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-01-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ৰাষ্ট্ৰীয় দুৰ্যোগ সহাঁৰি বাহিনী এন ডি আৰ এফৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শুভেচ্ছা জ্ঞাপন কৰিছে।

২। ছুইজাৰলেণ্ডৰ ডাভ'ছত আজিৰে পৰা অহা ২৩ জানুৱাৰীলৈ ৱৰ্ল্ড ইক'ন'মিক ফ'ৰামৰ সন্মিলন অনুষ্ঠিত হ'ব।

৩। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে বিকশিত ভাৰত জি ৰাম জি আইন সন্দৰ্ভত দেশবাসীক কংগ্ৰেছে বিপথে পৰিচালিত কৰাৰ চেষ্টা চলোৱা বুলি অভিযোগ উত্থাপন কৰিছে।

৪। পোলেণ্ডৰ উপ প্ৰধানমন্ত্ৰী ৰেডশ্ল ছিকৰস্কিৰ সৈতে ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰৰ আজি নতুন দিল্লীত গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়।

*আৰু*

৫। ভাৰতীয় জনতা পাৰ্টিৰ ৰাষ্ট্ৰীয় সভাপতিৰ নিৰ্বাচনৰ বাবে মনোনয়নসমূহ আজি দাখিল কৰা হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাষ্ট্ৰীয় দুৰ্যোগ সহাঁৰি বাহিনী এন ডি আৰ এফৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰী মোদীয়ে কয় যে দেশে দুৰ্যোগৰ সময়ত নিষ্ঠা আৰু অবিচলভাৱে নিজৰ বৃত্তিত নিমগ্ন হৈ থকা লোকসকলৰ সলাগ লয়। শ্ৰী মোদীয়ে কয় যে দুৰ্যোগৰ সময়ত এন ডি আৰ এফৰ বিষয়াসকলে অতি প্ৰত্যাহ্বানজনক পৰিস্থিতিতো জীৱনৰ সুৰক্ষা আৰু সাহায্য প্ৰদানৰ দৰে সেৱা আগবঢ়াই আশাৰ সঞ্চাৰ কৰে। এয়া আটাইতকৈ প্ৰশংসনীয় সেৱা বুলি উল্লেখ কৰি তেওঁ কয় যে এন ডি আৰ এফ আন্তৰ্জাতিক ভাৱে প্ৰশংসিত হৈছে।

০০০০০০০

গৃহমন্ত্ৰী অমিত শ্বাহেও এন ডি আৰ এফৰ প্ৰতিষ্ঠা দিৱস উপলক্ষ্যে বাহিনীটোৰ বিষয়া-কৰ্মচাৰীসকললৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰী শ্বাহে এন ডি আৰ এফক বিশ্বাসৰ স্তম্ভ আক্ষা দি কয় যে দুৰ্যোগৰ সময়ত দেশে এন ডি আৰ এফৰ ওপৰত ভৰষা কৰে। দেশখনক দুৰ্যোগ প্ৰতিৰোধী হিচাপে গঢ়ি তোলাৰ বাবে চৰকাৰে গ্ৰহণ কৰা সংকল্প সফল কৰাৰ ক্ষেত্ৰত এন ডি আৰ এফে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা বুলি শ্ৰী শ্বাহে উল্লেখ কৰে। গৃহমন্ত্ৰীগৰাকীয়ে লগতে আনৰ নিৰাপত্তা সুনিশ্চিত কৰা বাবে আত্মাহোতি দিয়া শ্বহিদসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে।

০০০০০০০

ছুইজাৰলেণ্ডৰ ডাভ'ছত আজিৰে পৰা অহা ২৩ জানুৱাৰীলৈ ৱৰ্ল্ড ইক'ন'মিক ফ'ৰামৰ সন্মিলন অনুষ্ঠিত হ'ব। সন্মিলনৰ ৫৬ সংখ্যক বাৰ্ষিক বৈঠকত বিশ্বৰ ৩হাজাৰৰো অধিক নেতাই অংশ ল'ব। পাঁচদিনীয়া এই অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ ভাৰতৰ ১০০ গৰাকীৰো অধিক মুখ্য কাৰ্যবাহী বিষয়াকে ধৰি চৰকাৰী বৃহৎ প্ৰতিনিধি দল এটাই ইতিমধ্যে ছুইজাৰলেণ্ডৰ চহৰখনত বাহৰ পাতিছে। কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱ, প্ৰহ্লাদ যোশী আৰু কে ৰামমোহন নাইডু এই সন্মিলনত উপস্থিত থকাৰ লগতে দ্বিপাক্ষিক বৈঠকত উপস্থিত থকাৰ সম্ভাৱনা আছে। অসমৰ উপৰি মহাৰাষ্ট্ৰ, অন্ধ্ৰ প্ৰদেশ, মধ্য প্ৰদেশ আৰু ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰীকেইগৰাকীয়ে বিনিয়োগকাৰীসকলৰ সন্মুখত নিজ নিজ ৰাজ্যক প্ৰতিনিধিত্ব কৰিব।

সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা দেশখনলৈ ইতিমধ্যে ৰাওনা হৈছে। অসমৰ প্ৰতিনিধি হিচাপে মুখ্যমন্ত্ৰী ড০ শৰ্মাই অংশগ্ৰহণৰ সুযোগ লাভ কৰাটো তাৎপৰ্যপূৰ্ণ হিচাপে বিবেচিত হৈছে। মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাৰিছো সন্মিলনত অংশ লোৱাৰ বাবে ৰাওনা হৈছে।

এই সন্মিলনত দেশৰ কেইবাখনো আগশাৰীৰ ৰাজ্যৰ প্ৰতিনিধিয়েও অংশগ্ৰহণ কৰিব। ডাভ'ছত বিশ্বৰ উদ্যোগপতি, অৰ্থনীতিবিদ, বহুজাতিক কোম্পানীৰ মুখ্য কাৰ্যবাহী বিষয়া, বিশ্ববেংক, আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি, বিশ্ব বাণিজ্য সংস্থাৰ মুৰব্বীসকলৰ লগত ৱৰ্ল্ড ইক'ন'মিক ফ'ৰামত অসমক প্ৰতিনিধিত্ব কৰা মুখ্যমন্ত্ৰী ড০ শৰ্মা হ'ব প্ৰথমগৰাকী অসমীয়া। মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই ফ'ৰামত অংশগ্ৰহণৰ জৰিয়তে অসমে আৰ্থিক ক্ষেত্ৰত অংশীদাৰিত্ব শক্তিশালী কৰা, বিনিয়োগ আকৰ্ষণ কৰা, স্থায়ী উন্নয়ন আৰু প্ৰযুক্তিগত উদ্ভাৱনত অসমক আগশাৰীলৈ লৈ যোৱাৰ দিশত পদক্ষেপ ল'ব। তেওঁ এই ফ'ৰামত ১৭ খনতকৈও অধিক বৈঠকত অংশ লোৱাৰ লগতে বহুকেইখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰাৰ কথা।

শ্ৰীলংকাৰ প্ৰধানমন্ত্ৰী ড০ হৰিণী অমৰাচুৰীয়া ৱৰ্ল্ড ইক'ন'মিক ফ'ৰামৰ ৫৬ সংখ্যক সন্মিলনত অংশ লোৱাৰ বাবে দেশখনৰ পৰা ৰাওনা হৈছে। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীগৰাকীয়ে কেইবাখনো দেশৰ নেতাৰ সৈতে এলানী দ্বিপাক্ষিক আলোচনাত মিলিত হোৱাৰ কথা। এই আলোচনাৰ কালত অৰ্থনৈতিক সহযোগিতা, বিনিয়োগৰ সা-সুবিধা আৰু আন্তঃৰাষ্ট্ৰীয় অংশীদাৰ তথা দেশখনৰ অৰ্থনীতি পুনৰ উদ্ধাৰৰ বাবে প্ৰয়োজনীয় সহযোগিতা বিষয়সমূহে স্থান লাভ কৰিব।

0000000

কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে বিকশিত ভাৰত জি ৰাম জি আইন সন্দৰ্ভত দেশবাসীক কংগ্ৰেছে বিপথে পৰিচালিত কৰাৰ চেষ্টা চলোৱা বুলি অভিযোগ উত্থাপন কৰিছে। নতুন দিল্লীত এখন সংবাদমেলত শ্ৰী চৌহানে কয় যে এম জি এনৰেগাৰ জৰিয়তে কংগ্ৰেছে দিয়া সুবিধাসমূহ কেৱল কাগজত হে উপলবদ্ধ আছিল। দলটোৱে নিজৰ আদৰ্শ, ধাৰণা আদি ত্যাগ কৰা বুলি উল্লেখ কৰি তেওঁ কয় যে দৰিদ্ৰ কল্যাণ তথা দেশৰ প্ৰগতিৰ সৈতে কংগ্ৰেছ দলৰ কোনো সম্পৰ্ক নাই। শ্ৰী চৌহানে কয় যে বিকশিত ভাৰত জি ৰাম জি আইনৰ জৰিয়তে গ্ৰামাঞ্চলৰ প্ৰতিটো পৰিয়াললৈ পূৰ্বৰ ১০০ দিনীয়া নিয়োগ নিশ্চিতিৰ পৰিৱৰ্তে ১২৫ দিনীয়া নিয়োগ নিশ্চিতিৰ ব্যৱস্থা কৰা হৈছে। এম জি এনৰেগাৰ অধীনত ১০ কোটি সম্পদ সৃষ্টি কৰা বুলি উল্লেখ কৰি তেওঁ ইয়াৰে ৮ দশমিক ৫ কোটি সম্পদ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দিকদৰ্শনত সৃষ্টি হোৱা বুলি প্ৰকাশ কৰে। শ্ৰী চৌহানে লগতে কয় যে মোদী চৰকাৰৰ নেতৃত্বত ২৫ কোটি লোকক দৰিদ্ৰতাৰ গ্ৰাসৰ পৰা মুক্ত কৰা হৈছে। বিকশিত ভাৰত জি ৰাম জি আইনত অনুসূচীত জাতি-জনজাতি, মহিলা, দিব্যাংগ তথা

দৰিদ্ৰসকলক অগ্ৰাধিকাৰ দিয়া হৈছে বুলি তেওঁ প্ৰকাশ কৰে। এই আইন অনুসৰি নিৰ্ধাৰিত সময়ৰ ভিতৰত কৰ্ম সংস্থাপন প্ৰদান কৰাত ব্যৰ্থ হ'লে নিবনুৱা ভাত্তা প্ৰদানৰ ব্যৱস্থা কৰা হ'ব বুলি শ্ৰী চৌহানে সদৰি কৰে।

০০০০০০০

পোলেণ্ডৰ উপ প্ৰধানমন্ত্ৰী ৰেড'শ্ল ছিকৰস্কিৰ সৈতে ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰৰ আজি নতুন দিল্লীত বৈঠকত অনুষ্ঠিত হয়। এই বৈঠকত ভাৰত আৰু পোলেণ্ডৰ মাজত কৌশলগত অংশীদাৰিত্ব বৃদ্ধি কৰাৰ বিষয়ে গুৰুত্ব লাভ কৰে। বৈঠকৰ পাছত পোলেণ্ডৰ উপ প্ৰধানমন্ত্ৰীগৰাকীৰ সৈতে যুটীয়াকৈ সম্বোধন কৰা এখন সংবাদমেলত ড০ জয়শংকৰে কয়, যে ভাৰতে ঐতিহাসিকভাৱে পোলেণ্ডৰ সৈতে যোগাযোগ ৰক্ষা কৰি আহিছে। শেহতীয়াকৈ দেশখনৰ সৈতে উচ্চ পৰ্যায়ৰ ৰাজনৈতিক বিনিময় তথা অৰ্থনৈতিক সহযোগিতাপূৰ্ণ সম্পৰ্ক স্থাপন হৈছে। আজি বৈঠকত ভাৰত আৰু পোলেণ্ডৰ মাজত বাণিজ্য আৰু বিনিয়োগ বৃদ্ধিৰ সন্দৰ্ভতো আলোচনা কৰা হয় বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে সংবাদমেলত প্ৰকাশ কৰে। তদুপৰি, প্ৰতিৰক্ষা, নিৰাপত্তা, শক্তি আৰু ডিজিটেল অংশীদাৰিত্ব সন্দৰ্ভতো আলোচনা কৰা হয় বুলি ড০ জয়শংকৰে জানিবলৈ দিয়ে। পোলেণ্ডৰ সৈতে ভাৰতে কৰা বাণিজ্য ৭ বিলিয়ন ডলাৰতকৈ বৃদ্ধি হৈছে বুলি ড০ জয়শংকৰে প্ৰকাশ কৰে। ভাৰতে পোলেণ্ডত ৩ বিলিয়ন আমেৰিকান ডলাৰ বিনিয়োগ কৰি দেশখনৰ যুৱক-যুৱতীসকলক কৰ্মসংস্থাপনৰ সুযোগ দিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ওড়িশাৰ স্বাধীনতা সংগ্ৰামী পাৰ্বতী গিৰীৰ জন্ম বাৰ্ষিকীৰ উপলক্ষ্যে তেওঁৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰী মোদীয়ে কয় যে ঔপনিৱেশিক শাসনৰ অন্ত পেলাবলৈ পাৰ্বতী গিৰীয়ে স্বাধীনতা সংগ্ৰামত গুৰুত্বপূৰ্ণ বৰঙণি যোগাইছিল। শ্ৰী মোদীয়ে কয় যে স্বাস্থ্য সেৱা, নাৰী সবলীকৰণ আৰু সংস্কৃতিৰ দৰে খণ্ডত তেওঁৰ বৰঙণি প্ৰশংসনীয়। আকাশবাণীৰ মন কী বাত অনুষ্ঠানত যোৱা মাহত প্ৰধানমন্ত্ৰীগৰাকীয়ে স্বাধীনতা সংগ্ৰামী পাৰ্বতী গিৰীৰ প্ৰসংগ উত্থাপন কৰি কৈছিল যে ১৬ বছৰ বয়সত ভাৰত ত্যাগ আন্দোলনত অংশগ্ৰহণ কৰা গিৰীৰ দৃষ্টান্তমূলক জীৱন গাথাই প্ৰতিটো প্ৰজন্মক উৎসাহিত কৰি থাকিব।

০০০০০০০

ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় সভাপতিৰ নিৰ্বাচনৰ বাবে মনোনয়নসমূহ আজি দাখিল কৰা হ'ব। দলটোৰ ৰাষ্ট্ৰীয় ৰিটাৰ্ণিং বিষয়া কে লক্ষ্মণে প্ৰকাশ কৰা নিৰ্বাচনসূচী অনুসৰি, আজি দিনৰ ২ বজাৰ পৰা ৪ বজাৰ ভিতৰত মনোনয়ন পত্ৰসমূহ দাখিল কৰিব পৰা যাব। নতুন দিল্লীত থকা দলৰ মুখ্য কাৰ্যালয়ত সমগ্ৰ নিৰ্বাচনী প্ৰক্ৰিয়া পৰিচালিত হ'ব। মনোনয়ন পত্ৰসমূহ বিয়লি ৪ বজাৰ পৰা চালিজাৰি চোৱা হ'ব। সন্ধিয়া ৬ বজা পৰ্যন্ত প্ৰাৰ্থীসকলে মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব। মনোনয়ন প্ৰক্ৰিয়াৰ অন্তত প্ৰয়োজন হ'লে কাইলৈ নিৰ্বাচন অনুষ্ঠিত হ'ব। কাইলৈ বিজেপিৰ নতুন ৰাষ্ট্ৰীয় সভাপতিৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰা হ'ব। সম্প্ৰতি কেন্দ্ৰীয় মন্ত্ৰী জগতপ্ৰকাশ নাড্ডাই বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। শ্ৰীনাড্ডাক ২০১৯ চনত দলটোৰ কাৰ্যকৰী সভাপতি হিচাপে নিয়োজিত কৰা হৈছিল আৰু ২০২০ চনৰ জানুৱাৰীত তেওঁক ৰাষ্ট্ৰীয় সভাপতি অমিত শ্বাহৰ স্থলাভিষিক্ত কৰা হৈছিল।

০০০০০০০

মহাৰাষ্ট্ৰৰ নাচিক জিলাৰ মালেগাওঁ-মানমাদ ঘাইপথত আজি সংঘটিত এটা পথ দূৰ্ঘটনাত ৪ গৰাকী লোক নিহত হোৱাৰ লগতে ২ গৰাকী লোক গুৰুতৰভাৱে আহত হয়। লগতে আন ২০ গৰাকী যাত্ৰী সামান্যভাৱে আহত হয়। মালেগাঁৱৰ ৰাৰহানে গাঁৱৰ সমীপত পুঁৱতি নিশা ৩ বজাৰ আশে পাশে পুনেৰ পৰা মালেগাওঁ অভিমুখী এখন ব্যক্তিগত যাত্ৰীবাহী বাছ আৰু বিপৰীত দিশৰ পৰা আহি থকা এখন মালবাহী বাহনৰ মাজত মুখামুখি সংঘৰ্ষ হয়। ঘটনা সন্দৰ্ভত ইতিমধ্যে এটা গোচৰ ৰুজু কৰি অনুসন্ধান আৰম্ভ কৰিছে।

০০০০০০০

পাকিস্তানৰ কৰাচীৰ গুলপ্লাজাত হোৱা বৃহৎ অগ্নিকাণ্ডত মৃত্যু হোৱা লোকৰ সংখ্যা ১০লৈ বৃদ্ধি পাইছে। যোৱা নিশা ৪ জন লোকৰ মৃতদেহ উদ্ধাৰ কৰা হয় আৰু এতিয়াও ৬০ জন লোক সন্ধানহীন হৈ আছে। উদ্ধাৰকাৰী দলৰ বিষয়াসকলে প্ৰকাশ কৰা মতে, উদ্ধাৰ অভিযানত ৩জন লোকৰ দেহাৱশেষ উদ্ধাৰ কৰা হয় আৰু ইয়াৰ ভিতৰত এগৰাকী শিশু আছিল।

০০০০০০০

সমাপ্ত